# গালা

## ‘গালাতীয়া পত্ৰ’ৰ পাতনি

‘গালাতীয়া পত্ৰ’ খন পাঁচনি পৌলে লিখিছিল (1:1)। যীচু খ্ৰীষ্টৰ জন্মৰ পাছত প্ৰায় 48 পৰা 57 বছৰৰ ভিতৰত গালাতীয়াত থকা মণ্ডলীবোৰলৈ পৌলে এই পত্ৰ লিখিছিল। গালাতীয়া লোকসকল সম্ভৱত ৰোম প্ৰদেশৰ গালাতীয়াত বাস কৰিছিল। পৌলে পত্ৰ লিখাৰ সময়ত, তেওঁ ক’ত আছিল, সেই বিষয়ত পণ্ডিত সকল সঠিক নহয়; কিন্তু সম্ভৱত ‘ইফিচ’ আৰু ‘কৰিন্থ’ এই দুখন নগৰতে তেওঁ আছিল।

পৌলে খ্ৰীষ্টৰ অনুসৰণকাৰী সকলক সম্বোধন কৰি, গালাতীয়াৰ মণ্ডলী সমূহত থকা ইহুদী আৰু অনা ইহুদী উভয় ব্যক্তিলৈ উদ্দেশ্য কৰি লিখিছিল। তেওঁ বিশেষকৈ ভুল শিক্ষাৰ সন্মুখীন হোৱাৰ বিষয়ে লিখিছিল। বিশেষকৈ চুন্নৎৰ বিষয়ে পুৰণি নিয়মত যি উল্লেখিত আছে, সেই শিক্ষাই খ্ৰীষ্টীয়ান সকলক যে ইহুদীৰ বিধান অনুসৰণ কৰিবলৈ নকয়, সেই বিষয়ে উল্লেখ কৰিছে। খ্ৰীষ্টীয়ান সকলৰ ভিতৰত কিছু সংখ্যক দল আছে যাক যিহূদা নিবাসী বুলি কয়, তেওঁলোকে অনা-ইহুদী খ্ৰীষ্টীয়ান লোক সকলে চুন্নৎ কৰাটো বিচাৰিছিল, আৰু পৌলৰ পাঁচনিবাবৰ ক্ষমতাৰ বিষয়েও প্ৰশ্ন কৰিছিল। পৌলে নিজৰ কিছুমান কাহিনী কৈ তেওঁৰ পাঁচনি বাবৰ প্ৰতিৰক্ষা কৰে (1:11, 2:14)। একমাত্ৰ যীচু খ্ৰীষ্টক বিশ্বাস কৰাৰ দ্বাৰাই যে, পৰিত্ৰাণ পোৱা যায়, সেই বিষয়ে ব্যাখ্যা কৰি শুভবাৰ্ত্তাক সুৰক্ষিত কৰে (2:16); আৰু এয়া যে, মানুহে কৰিব নোৱাৰে কিন্তু ঈশ্বৰে দেখুওৱা দয়াৰহে পৰিণাম, এই বিষয়ে উল্লেখ কৰে।

tচমু বিৱৰণঃ পৌলে গালাতীয়াৰ মণ্ডলীবোৰলৈ সম্ভাষণ জনায় তেওঁৰ পত্ৰ আৰম্ভ কৰিছে (1:1-5)। পৌলে নিজৰ পটভূমিৰ পৰা কিছুমান কথা ব্যখ্যা কৰি নিজৰ শিক্ষা দিয়াৰ অধিকাৰ সুৰক্ষিত কৰিছে। তেওঁ বিধানৰ দ্বাৰা জীৱন যাপন কৰিবলৈ চেষ্টা কৰা, আৰু এয়া যে কাৰ্যকৰী নহ’ল, সেই বিষয়ে দেখুৱাইছে (1:6, 2:21)। পৰৱৰ্তী বিষয় হৈছে, বিধানৰ নিয়ম বাখ্যা আৰু পৰিত্ৰাণৰ অনুগ্ৰহ (3-4)। তাৰ পাছত তেওঁ ভাল খ্ৰীষ্টীয় জীৱনৰ কাৰণে কিছুমান সাধাৰণ নিৰ্দেশ দিছে (5-6:10)। পৌলে শুভেচ্ছা জনায় আৰু ঈশ্বৰৰ দ্বাৰাই পৰিৱৰ্তন হোৱা নতুন জীৱন যে বাহিৰা নিয়ম নীতিতকৈ যেনে চুন্নৎ কৰাতকৈ বহু বেছি গুৰুত্বপূৰ্ণ, সেয়ে এই বিষয় মনত ৰাখিবলৈ অনুৰোধ কৰি তেওঁৰ পত্ৰ সমাপ্ত কৰে (6:11-18)।

## Chapter 1

**1**মই পৌল, এজন পাঁচনি। এই পাঁচনি পদ কোনো মানুহৰ পৰা বা মানুহৰ দ্বাৰাই মই পোৱা নাই, কিন্তু যীচু খ্ৰীষ্ট আৰু পিতৃ ঈশ্বৰ, যি জনে যীচুক মৃত লোকৰ মাজৰ পৰা তুলিছিল, তেওঁলোকৰ দ্বাৰাই মই পাঁচনি নিযুক্ত হ’লো।

**2**মই আৰু মোৰ সহবৰ্ত্তী যি সকলো ভাই আছে, আমাৰ সকলোৱে পৰা এই পত্ৰ গালাতীয়াৰ[1] মণ্ডলীবোৰৰ সমীপলৈ।

**3**আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক; **4**তেওঁ আমাৰ পাপ সমূহৰ কাৰণে নিজকে উছৰ্গা
কৰিলে, যাতে আমাৰ পিতৃ ঈশ্বৰৰ ইচ্ছা অনুসাৰে তেওঁ আমাক বৰ্ত্তমান মন্দ সংসাৰৰ পৰা উদ্ধাৰ কৰিব পাৰে। **5**সেই পিতৃ ঈশ্বৰৰ মহিমা
চিৰকাল হওক। আমেন।

### শুভবাৰ্তা এটাই

**6**খ্ৰীষ্টৰ অনুগ্ৰহত যি জনে আপোনালোকক আমন্ত্ৰণ কৰিলে, আপোনালোক ইমান সোনকালে তেওঁৰ পৰা অন্যবিধ শুভবাৰ্তালৈ ঘূৰি গৈছে দেখি
মই আচৰিত মানিছো। **7**আচলতে কোনো অন্য শুভবাৰ্তা নাই। কিন্তু কিছুমান লোক আছে, যি সকলে আপোনালোকক বিভ্ৰান্ত কৰে আৰু খ্ৰীষ্টৰ
শুভবাৰ্তা বিকৃত কৰিবলৈ বিচাৰে। **8**কিন্তু আমি আপোনালোকৰ আগত যি শুভবাৰ্তা প্ৰচাৰ কৰিলোঁ, তাৰ বাহিৰে আন শুভবাৰ্তা, আমিয়েই
হওক বা স্বৰ্গৰ দূতেই হওক, কোনোৱে যদি আপোনালোকৰ আগত প্ৰচাৰ কৰে, তেনেহলে তেওঁ অভিশপ্ত হওক। **9**আমি আগেয়ে যেনেকৈ
কৈছিলোঁ, এতিয়া মই পুনৰ কৈছোঁ, “আপোনালোকে যি শুভবাৰ্তা গ্ৰহণ কৰিলে, তাৰ বাহিৰে আন শুভবাৰ্তা, কোনোৱে যদি আপোনালোকৰ আগত প্ৰচাৰ কৰে, তেনেহলে তেওঁ অভিশপ্ত হওক।”

**10**মই এতিয়া মানুহৰ নে ঈশ্বৰৰ প্ৰশংসা বিচাৰিছোঁ? অথবা, মই মানুহক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছোঁ নেকি? মই যদি এতিয়াও মানুহক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰোঁ, তেনেহলে মই খ্ৰীষ্টৰ দাস নহওঁ।

### পৌলৰ পাঁচনি বাবৰ বিৱৰণ

**11**ভাই সকল, মই আপোনালোকক জনাবলৈ বিচাৰো যে, মই যি শুভবাৰ্তা প্ৰচাৰ কৰিছোঁ, সেয়া কোনো মানুহৰ মত অনুসাৰে নহয়। **12**কাৰণ
মই মানুহৰ পৰা তাক পোৱা নাই আৰু মোক শিকোৱাও নাই; কিন্তু যীচু খ্ৰীষ্টই নিজে এই বিষয়ে মোৰ আগত প্ৰকাশ কৰিলে।

